# 2019

## ASSAMESE

## ( Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা (*এটা* বা *দুটা* শব্দত) : ১×১০=১০

(ক) অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কাক অভিহিত কৰা হয় ?

(খ) 'জন্মযাত্ৰা' নাটকখনৰ নাট্যকাৰ কোন ?

(গ) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি ?

(ঘ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা ?

(ঙ) গণিতশাস্ত্ৰৰ প্ৰসিদ্ধ পুথি 'লীলাৱতী' কোনে অসমীয়ালৈ অনুবাদ কৰিছিল ?

(চ) প্ৰথম অসমীয়া আলোচনী 'অৰুণোদই' কিমান চনত প্ৰকাশ হৈছিল ?

(ছ) *A few Remarks of Assamese Language* কাৰ ৰচনা ?

(জ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অসমীয়া ভাষাৰ বিখ্যাত অভিধানখনৰ নাম কি ?

(ঝ) ন.ল.ফ-ৰ সম্পূৰ্ণ নাম কি ?

(ঞ) 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদকগৰাকী কোন আছিল ?

(ট) অসমীয়া সাহিত্যত 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয় ?

(ঠ) 'কদমকলি' কবিতা-পুথিখনৰ কবি কোন ?

(ড) অমিত্ৰাক্ষৰ ছন্দৰ আৰ্হিত 'সীতাহৰণ কাব্য' কোনে ৰচনা কৰিছিল ?

(ঢ) পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভূত নে ভ্ৰম' কোন শ্ৰেণীৰ নাটক ?

(ণ) 'ব্যৰ্থতাৰ দান' গল্প-পুথিখনৰ গল্পকাৰ কোন ?

২। যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা (*এটা* বা *দুটা* বাক্যত) : ২×৫=১০

(ক) অসমীয়া সাহিত্যৰ যি কোনো দুখন বুৰঞ্জী পুথিৰ নাম লিখা।

(খ) ভট্টদেৱে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।





(গ) 'অৰুণোদই'-ৰ পৰৱৰ্তী দুখন অসমীয়া কাকতৰ নাম লিখা।

(ঘ) প্ৰথম অসমীয়া ৰমণ্যাসিক কবিতাটোৰ নাম কি ? ইয়াৰ কবি কোন ?

(ঙ) অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাবধাৰা কোন দুটা ভাষাৰ সাহিত্যৰ যোগেদি আহিছিল ?

(চ) ব্যংগ সাহিত্য মানে কি ?

(ছ) তলৰ গ্ৰন্থ দুখনৰ লেখকৰ নাম কি কি ?

ৰাম নৱমী ; কানীয়াৰ কীৰ্তন।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) গোপাল আতাৰ সাহিত্যৰাজিৰ বিষয়ে এটি টোকা লিখা।

(খ) অসমীয়া সাহিত্যলৈ 'অৰুণোদই'ৰ অৱদানসমূহ কি কি ?

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ঘ) অসমীয়া সাহিত্যত 'উপন্যাস সম্ৰাট' বুলি কাক কোৱা হয় ? তেওঁ ৰচনা কৰা উপন্যাসকেইখনৰ নাম লিখা।

(ঙ) চমু টোকা লিখা : চৰিত তোলা প্ৰথা।

৪। উত্তৰ-শংকৰী যুগৰ সাহিত্য বুলিলে কি বুজা ? এই যুগৰ সাহিত্যৰ বিভিন্ন দিশসমূহৰ বিষয়ে চমুকৈ লিখা। ১০

*নাইবা*

অসমীয়া চৰিত পুথি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। ‘অৰুণোদই যুগ’ৰ যি কোনো এগৰাকী সাহিত্যিকৰ সাহিত্যকৃতিৰ বিষয়ে আলোচনা কৰা। ১০

*নাইবা*

চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৬। ‘জোনাকী যুগ’ৰ কবিতাৰ বিষয়ে এটি প্ৰবন্ধ লিখা। ১০

*নাইবা*

অসমীয়া নাট্য সাহিত্যলৈ পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদানৰ বিষয়ে বহলাই লিখা।

৭। অসমীয়া আধুনিক গল্প সাহিত্যলৈ ‘আৱাহন’ আলোচনীৰ অৱদানৰ বিভিন্ন দিশ ফঁহিয়াই এটি আলচ যুগুত কৰা। ১০

*নাইবা*

চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) উত্তৰ-শংকৰী যুগৰ ব্যৱহাৰিক সাহিত্য

(খ) হেমচন্দ্ৰ বৰুৱাৰ অৱদান

(গ) অসমীয়া ৰোমাণ্টিক কবিতা

★★★